NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-10-2023
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। চীনৰ হাংচ'অ'ত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে ২৮টা সোণ, ৩৮ টা ৰূপ আৰু ৪১ টা ব্ৰঞ্জসহ মুঠ ১০৭টা পদক লাভ কৰি অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছত দেখুওৱা অভূতপৰ্ব প্ৰদৰ্শনৰ বাবে অভিনন্দন জনাইছে।

৩। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অধ্যক্ষতাত আজি নতুন জি এছ্ টি পৰিষদৰ ৫২ সংখ্যক বৈঠক অনুষ্ঠিত হয়।

৪। ছিকিমৰ বানত নিহত হোৱা লোকৰ সংখ্যা ৩০লৈ বৃদ্ধি পাইছে।

***আৰু***

৫। ভাৰতে অহা ১০ ছেপ্তেম্বৰৰ পৰা নাগাপট্টিনমৰ পৰা চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকালৈ ফেৰী সেৱা আৰম্ভ কৰিব।

ooooooooo

চীনৰ হাংচ'অ'ত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে ২৮টা সোণ, ৩৮ টা ৰূপ আৰু ৪১ টা ব্ৰঞ্জসহ মুঠ ১০৭টা পদক লাভ কৰি অভিলেখ গঢ়িবলৈ সমৰ্থ হৈছে। শেহতীয়াকৈ ভাৰতৰ পুৰুষৰ কাবাদী দলে ইৰাণক পৰাস্ত কৰি সোণৰ পদক জয় কৰে। ইপিনে, পুৰুষৰ ক্ৰিকেট দলটোৱে আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া ফাইনেল খেলখন বৰষুণৰ বাবে বাতিল কৰাত সোণৰ পদক লাভ কৰে। ভাৰতৰ পুৰুষ আৰু মহিলাৰ দবা দলকেইটাই ৰূপৰ পদক জয় কৰে। আনহাতে মল্লযুঁজত দীপক পুণিয়াই ৮৬ কিলোগ্ৰাম ফ্ৰিষ্টাইল শাখাত ৰূপৰ পদক অৰ্জন কৰে। ইপিনে, মহিলাৰ হকী দলটোৱে জাপানক ২-১ গ'লত পৰাস্ত কৰি ব্ৰঞ্জৰ পদক জয় কৰে।

পুৰুষৰ বেডমিণ্টনৰ ডাবলছত ভাৰতৰ ছিৰাগ ছেট্টি আৰু স্বাস্তিকচৈৰাজ ৰনকীৰেড্ডীৰ যুটীটোৱে সোণৰ পদক জয় কৰে। উল্লেখযোগ্য যে, এছিয়ান গেমছত বেডমিণ্টনত ভাৰতে প্ৰথমবাৰৰ বাবে সোণৰ পদক জয় কৰিবলৈ সক্ষম হৈছে। ভাৰতীয় যুটীটোৱে দক্ষিণ কোৰিয়াৰ চোই ছলগিউ আৰু কিম ৰন-হোক ২১-১৮, ২১-১৬ গেমত পৰাস্ত কৰে।

মহিলা কাবাদী দলৰ লগতে পুৰুষৰ ব্যক্তিগত আৰ্চাৰীতো ভাৰতে সোণৰ পদক জয় কৰে। ভাৰত বৰ্তমান পদক তালিকাৰ চতুৰ্থ স্থানত আছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমচত ভাৰতীয় খেলুৱৈসকলৰ প্ৰদৰ্শনে দেশবাসীক ৰোমাঞ্চিত কৰি তুলিছে বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে অহা ১০ অক্টোবৰত এছিয়ান গেমছত অংশগ্ৰহণ কৰা খেলুৱৈসকলৰ সৈতে মত-বিনিময় কৰিব।

দেশৰ হৈ ১০০ সংখ্যক পদকটো মহিলা কাবাদী দলে লাভ কৰে। ফাইনেলত ভাৰতীয় দলটোৱে চীনা টাইপেক ২৬-২৫ৰ ব্যৱধানত পৰাভূত কৰে। প্ৰধানমন্ত্ৰীয়ে এই ঐতিহাসিক জয়ৰ বাবে কাবাদী দলটোক অভিনন্দন জনাইছে। তেওঁ লগতে কয় যে, এই জয়ে দেশৰ মহিলা এথলিটসকলৰ অদমনীয় শক্তিক প্ৰতিপন্ন কৰিলে।

পুৰুষৰ ব্যক্তিগত কম্পাউণ্ড আৰ্চাৰীৰ ফাইনেলত অ'জাছ ডেওতালে সোণ আৰু অভিষেক বাৰ্মাই ৰূপৰ পদক লাভ কৰে। মহিলাৰ ব্যক্তিগত শাখাৰ কম্পাউণ্ড আৰ্চাৰীতো সোণ আৰু ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

০০০০০০০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণৰ অধ্যক্ষতাত আজি নতুন দিল্লীত সামগ্ৰী আৰু সেৱাকৰ, জি এছ্ টি পৰিষদৰ ৫২ সংখ্যক বৈঠক অনুষ্ঠিত হয়। বৈঠকত কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধৰীৰ লগতে ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বিত্ত মন্ত্ৰীসকল উপস্থিত থাকে। পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে, বৈঠকত জি এছ্ টি আপীল ন্যায়াধীকৰণ, মিলেট আৰু লালিৰ জি এছ্ টি হাৰকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তেওঁ কয় যে, পৰিষদে লালিৰ ওপৰত আৰোপিত জি এছ্ টি ২৮ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াৰ পৰা কুঁহিয়াৰ খেতিয়কসকল উপকৃত হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে, ৭০ শতাংশ মিলেটযুক্ত আটা মুকলিকৈ বিক্ৰী কৰিলে তাৰ ওপৰত জি এছ্ টি আৰোপ কৰা নহ'ব। অৱশ্যে, পেকিং কৰি অথবা লেবেল লগাই বিক্ৰী কৰিলে ইয়াৰ ওপৰত ৫ শতাংশ জি এছ্ টি প্ৰযোজ্য হ'ব। জি এছ্ টি আপীল ন্যায়াধীকৰণৰ সংস্কাৰ সন্দৰ্ভত শ্ৰীমতী সীতাৰমণে কয় যে, ন্যায়াধীকৰণৰ অধ্যক্ষগৰাকীৰ কাৰ্য্যকাল ৭০ বছৰ বয়সলৈ আৰু বাকী সদস্যসকলৰ কাৰ্য্যকাল ৬৭ বছৰ বয়সলৈ অব্যাহত থাকিব বুলি থিৰাং কৰা হৈছে। জি এছ্ টি পৰিষদে এক্সট্ৰা নিউট্ৰেল এলকহলৰ ওপৰত কৰ আৰোপৰ অধিকাৰ ৰাজ্যসমূহক প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। জি এছ্ টি পৰিষদে পানী যোগান, জন-স্বাস্থ্য, অনাময় সংৰক্ষণ, গোটা আৱৰ্জনা ব্যৱস্থাপনা আৰু উন্নয়নৰ সেৱাসমূহক জি এছ্ টিৰ আওতাৰ বাহিৰত ৰখাৰ পৰামৰ্শ আগবঢ়াইছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা দিৱস উপলক্ষে দিল্লীৰ লালকিল্লাৰ প্ৰাচীৰৰ পৰা দিয়া ভাষণত কৰা ঘোষণাৰ পৰ্য্যালোচনাৰ উদ্দেশ্যে আজি এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। স্বাধীনতা দিৱসৰ ভাষণত শ্ৰীমোদীয়ে দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ বাবে বাসগৃহ উপলব্ধ কৰোৱাৰ বাবে বহনসাধ্য ঋণ সুনিশ্চিত কৰাৰ বিষয়ে উল্লেখ কৰিছিল। বৈঠকত প্ৰধানমন্ত্ৰীয়ে এই ঘোষণা ৰূপায়ণৰ প্ৰস্তুতিৰ পৰ্য্যালোচনা কৰে। প্ৰধানমন্ত্ৰীয়ে নিজৰ ভাষণত

জনসাধাৰণৰ বাবে সৌৰ শক্তি সুনিশ্চিত কৰাৰ বিষয়ে উল্লেখ কৰিছিল। এই আঁচনি কাৰ্যকৰীকৰণৰ প্ৰস্তুতিৰ বিষয়েও তেওঁ পৰ্য্যালোচনা কৰে।

০০০০০০০০০

ছিকিম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই ৰাজ্যখনৰ শেহতীয়া বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩০লৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত ৯ গৰাকী সেনা জোৱানো আছে। আনহাতে, এই পৰ্য্যন্ত ৮১ জন লোক সন্ধানহীন হৈ আছে বুলি কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। ৰাজ্যখনত মুঠ এহেজাৰ ৩২০ টা গৃহ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। এতিয়ালৈকে দুহেজাৰ ৫৬৩ জন লোকক উদ্ধাৰ কৰা হৈছে। আনহাতে, ৩০ টা আশ্ৰয় শিবিৰত ৭ হাজাৰ ২৫ জন লোকে আশ্ৰয় লৈ আছে বুলি কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ৰাজ্যখনৰ শেহতীয়া বানত প্ৰাণ হেৰুওৱা লোকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহ ৰাজ্য মন্ত্ৰী অজয় কুমাৰ মিশ্ৰাই আজি গেংটকৰ তাছিলিং সচিবালয়ত ছিকিমৰ মুখ্য সচিব, বিভিন্ন বিভাগ, সেনা, ভাৰত-তিববতীয় সীমান্তৰক্ষী, সীমান্ত পথ সংস্থা, NHIDCL আৰু NHPCৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত শ্ৰীমিশ্ৰাই কয় যে, কেন্দ্ৰীয় চৰকাৰে ছিকিমৰ পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু ৰাজ্যখনলৈ সকলো ধৰণৰ প্ৰয়োজনীয় সাহায্য আগবঢ়োৱা হৈছে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে ছিকিমৰ মুখ্যমন্ত্ৰীৰ সৈতে অহৰহ সম্পৰ্ক ৰক্ষা কৰি আছে। তেওঁ লগতে কয় যে, কেন্দ্ৰীয় চৰকাৰে কৃষি, পথ পৰিবহণ আৰু ঘাইপথ, জলশক্তি, শক্তি আৰু বিত্ত মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াক লৈ এখন আন্তঃমন্ত্ৰালয় কমিটি গঠন কৰিছে। এই কমিটিখনে বাস্তৱিক পৰিস্থিতিৰ বুজ লোৱা, ক্ষয়-ক্ষতিৰ মূল্যায়ণ কৰা আৰু সাহায্য প্ৰদানৰ উদ্দেশ্যে কাইলৈৰ পৰা ৰাজ্যখনৰ বিভিন্ন অংশ পৰিদৰ্শন কৰিব। কেন্দ্ৰীয় চৰকাৰে ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে ৰাষ্ট্ৰীয় দুৰ্য্যোগ সঁহাৰি বাহিনী এন ডি আৰ এফ আৰু ৰাজ্যিক দুৰ্য্যোগ সঁহাৰি বাহিনী এছ ডি আৰ এফৰ বাবে অগ্ৰিম বাজেট আৱণ্টনত অনুমোদন দিছে। ইয়াৰ ফলত ৰাজ্যখনে ততালিকে উদ্ধাৰ, সাহায্য আৰু পুনৰ্বাসনৰ কাম আৰম্ভ কৰিব পাৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰে ছিকিমলৈ স্বাভাৱিক পৰিস্থিতি ঘূৰাই অনাৰ বাবে চেষ্টাৰ অকণো ত্ৰুটি নকৰে বুলি আশ্বাস দিয়ে। মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰৰ বিষয়াসকলক আন্তঃগাঁথনিৰ ফলপ্ৰসূ পুনৰ্নিৰ্মাণৰ বাবে হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন পৰিকল্পনা যুগুতাই উলিয়াবলৈও আহ্বান জনায়।

০০০০০০০০০

ভাৰতে অহা ১০ ছেপ্তেম্বৰৰ পৰা নাগাপট্টিনমৰ পৰা চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকালৈ ফেৰী সেৱা আৰম্ভ কৰিব। এই যন্ত্ৰচালিত নাও সেৱাই ৩০ মিনিটত শ্ৰীলংকাৰ কানকেচন্থুৰাই বন্দৰত উপস্থিত হ'ব। এই সেৱা আৰম্ভ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৩ কোটি টকা ব্যয়েৰে নাগাপট্টিনম বন্দৰৰ খনন সম্পূৰ্ণ কৰিছে। যাত্ৰীসকলে চাৰে ৬ হাজাৰ টকা ভাৰাৰে শ্ৰীলংকালৈ যাত্ৰা কৰিব পাৰিব। দেওবাৰ আৰু সোমবাৰে এই যন্ত্ৰচালিত নাও সেৱাৰ পৰীক্ষা কৰা হ'ব। মঙলবাৰে আনুষ্ঠানিকভাৱে এই সেৱা আৰম্ভ কৰা হ'ব

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইজৰাইলৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, ভাৰত এই আক্ৰমণৰ বলি হোৱা নিৰীহ লোক আৰু তেওঁলোকৰ পৰিয়ালৰ সৈতে আছে। শ্ৰীমোদীয়ে কয় যে, ভাৰত এই সংকটৰ সময়ত ইজৰাইলৰ জনসাধাৰণৰ সৈতে ঐক্যৱদ্ধভাৱে থিয় হৈ আছে।

০০০০০০০০০

ইজৰাইলত থকা ভাৰতীয় নাগৰিকসকলক সতৰ্ক হৈ দেশখনৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত সতৰ্ক হৈ থকাৰ লগতে সুৰক্ষা সম্পৰ্কীয় নিৰ্দেশাৱলী মানি চলিবলৈ পৰামৰ্শ জাৰি কৰা হৈছে। দেশখনত থকা ভাৰতীয় দূতাবাসে লোকসকলক সাৱধানতা  অৱলম্বন কৰাৰ লগতে অপ্ৰয়োজনীয়ভাৱে ঘূৰি নুফুৰিবলৈ আৰু সুৰক্ষা গৃহসমূহৰ ওচৰত থাকিবলৈ আহ্বান জনাইছে। কোনো সমস্যাৰ সন্মুখীন হ'লে ৯৭২৩৫২২৬৭ নম্বৰত ফোন কৰি অথবা consl.telaviv@mea.GOV.INত বাৰ্তা প্ৰেৰণ কৰি ভাৰতীয় দূতাবাসত যোগাযোগ কৰিবলৈ কোৱা হৈছে।

০০০০০০০০০

জি টুৱেণ্টিৰ ভাৰতৰ অধ্যক্ষতাৰ বিষয়ে আলোচনা কৰাৰ বাবে নতুন দিল্লীত আজি বিদেশ মন্ত্ৰালয়ৰ সংসদীয় উপদেষ্টা কমিটিৰ বৈঠক আৰম্ভ হয়। বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰে সামাজিক মাধ্যমৰ এটা পোষ্টযোগে কয় যে, সকলোৱে জি টুৱেণ্টি শীৰ্ষ সন্মিলনৰ আয়োজনৰ ক্ষেত্ৰত ভাৰতৰ অপাৰ সফলতা আৰু জন অংশগ্ৰহণ দৃষ্টিভংগীৰ ইতিবাচক প্ৰভাৱৰ ভূয়সী প্ৰশংসা কৰিছে।

০০০০০০০০০

বাংলাদেশে আজি ধৰমশালাত অনুষ্ঠিত বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত আফগানিস্তানক ৬ উইকেটত পৰাস্ত কৰে।  বাংলাদেশে ১৫৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি  মেহদী হাচান মিৰাজ আৰু নাজমুল হুছেইন চান্তোৰ অৰ্ধ শতকৰ সহায়ত ৩৪ অভাৰ আৰু চাৰিটা বলত চাৰি উইকেটৰ বিনিময়ত ১৫৮ ৰাণ কৰে। ইয়াৰ পূৰ্বে আফগানিস্তানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৩৭ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৬ ৰাণ সংগ্ৰহ কৰে। বাংলাদেশৰ হৈ চাকিব আৰু মেহদীয়ে তিনিটাকৈ উইকেট দখল কৰে। মেহদী হাচানক প্লেয়াৰ অফ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইফালে, দক্ষিণ আফ্ৰিকাই নতুন দিল্লীৰ অৰুণ জেট্‌লী ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ দ্বিতীয়খন খেলত শ্ৰীলংকাক জয়ৰ বাবে ৪২৯ ৰাণৰ লক্ষ্য বান্ধি দিছে। প্ৰত্যুত্তৰত শ্ৰীলংকাই আমালৈ বাতৰি অহাৰ পৰলৈকে ৪ অভাৰত এটা উইকেট হেৰুৱাই ১৯ ৰাণ কৰি খেলি আছিল। ইয়াৰ আগেয়ে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৫ টা উইকেট হেৰুৱাই ৪২৮ ৰাণ কৰে।

০০০০০০০০০

সমাপ্ত